**3 (Sem–5/CBCS) ASM HC 1**

# 2024

## ASSAMESE

( Honours Core )

Paper : ASM–HC–5016

( অসমীয়া নাটক আৰু পৰিৱেশনশৈলী )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) শংকৰদেৱে নাট সৃষ্টি কৰাৰ পূৰ্বৰে পৰা অসমত প্ৰচলিত এবিধ লোকনাট্যৰ নাম লিখা।

(খ) কুশান গানৰ উৎপত্তিৰ লগত কোনখন মহাকাব্যৰ কথা জড়িত হৈ আছে?

(গ) ঝুমুৰাৰ এটি বৈশিষ্ট্য লিখা।

(ঘ) গায়ন-বায়ন কোন শ্ৰেণীৰ নাটকৰ লগত সম্পৰ্কিত?

(ঙ) মহাকাব্যিক নাট(epic theatre) নাটকৰ এই ৰূপটোৰ লগত প্ৰথমে কোনজন নাট্যকাৰ জড়িত হৈ আছিল?

(চ) শ্ৰীকৃষ্ণক ৰুক্মিণীৰ বিষয়ে জনোৱা ভাটজনৰ নাম কি আছিল?

(ছ) 'নীলাম্বৰ' নাটকৰ কাহিনী নিৰ্মাণত কোনজন ইংৰাজ নাট্যকাৰৰ প্ৰভাৱ দেখা যায়?

(জ) কমতাপুৰৰ ৰাজমাতাৰ নাম কি আছিল?

(ঝ) 'কুকুৰনেছীয়া মানুহ' নামৰ নাটকখনৰ ৰচক কোন?

(ঞ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা এখন কাব্যনাটৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) অংকীয়া নাটত ব্যৱহৃত দুবিধ ভটিমাৰ নাম লিখা।

(খ) 'ৰুক্মিণী হৰণ' নাটত ৰুক্মিণীৰ সখী দুগৰাকীৰ নাম কি?

(গ) 'নীলাম্বৰ' নাটকৰ দুটা নাৰী চৰিত্ৰৰ নাম লিখা।

(ঘ) নাট্যকাৰ কৰুণা ডেকাৰ দ্বাৰা ৰচিত দুখন লোকনাটৰ আৰ্হিত ৰচিত নাটৰ নাম লিখা।

(ঙ) পঞ্চমুখা কি? পঞ্চমুখা কোনে নিৰ্মাণ কৰিছিল?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অংকীয়া নাটত ব্যৱহৃত ব্ৰজাৱলী ভাষাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) 'ৰুক্মিণী হৰণ' নাটৰ ৰুক্মিণী চৰিত্ৰটিৰ বিষয়ে লিখা।





(গ) 'মহাকাব্যিক নাট'ৰ উপস্থাপনশৈলীৰ বিষয়ে চমুকৈ লিখা।

(ঘ) 'নীলাম্বৰ' নাটখনৰ সংঘাত সৃষ্টিত নন্দৰ ভূমিকা কি, বিচাৰ কৰা।

(ঙ) প্ৰাঞ্জলৰ চৰিত্ৰই 'উৰুখা' নাটকৰ কাহিনীৰ গতিময়তাত কি ভূমিকা লৈছে, চমুকৈ লিখা।

(চ) 'এবছাৰ্ড নাট'ৰ কোনবোৰ লক্ষণ 'আহাৰ' নাটখনত দেখা যায়, আলোচনা কৰা।

৪। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অংকীয়া নাটৰ পৰিৱেশনশৈলীৰ বিষয়ে আলোচনা কৰা।

*অথবা*

'ৰুক্মিণী হৰণ' নাটৰ মূল কি? নাটখনত নাট্যকাৰৰ মৌলিকতাসমূহ আলোচনা কৰা।

(খ) অসমীয়া এবছাৰ্ডধৰ্মী নাটক সম্পৰ্কে এটি চমু নিবন্ধ লিখা।

*অথবা*

নাট্যকাৰ অৰুণ শৰ্মাৰ 'আহাৰ' নাটখনৰ নাৰী চৰিত্ৰৰ মাজেৰে সমাজৰ কোনবোৰ দিশ দাঙি ধৰিছে, সেই দিশবোৰৰ বিষয়ে আলোচনা কৰা।

(গ) নাট পৰিৱেশনত মঞ্চৰ গুৰুত্ব কিমান? 'নীলাম্বৰ' নাটখনৰ আধাৰত আলোচনা কৰা।

*অথবা*

বুৰঞ্জীমূলক নাট বুলিলে কি বুজা? বুৰঞ্জীমূলক নাট হিচাপে 'নীলাম্বৰ' নাটখনৰ এটি আলোচনা আগবঢ়োৱা।

(ঘ) 'উৰুখা' নাটখনত দেখা পোৱা ভোগবাদী সমাজ-বাস্তৱতাৰ বিষয়ে বহলাই আলোচনা কৰা।

*অথবা*

কাব্যনাট বুলিলে কি বুজা? 'উৰুখা' নাটখনৰ উপস্থাপন-শৈলী সম্পৰ্কে আলোচনা কৰা।

***